# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 04-11-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১।  প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতত বিশ্বৰ ভিতৰতে সবাতোকৈ সফল ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি গঢ়ি তোলা হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২।  **মেৰা বুথ সবছে মজবুত** কাৰ্যসূচীৰ অধীনত বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰীয়ে আজি বিহাৰৰ মহিলাসকলৰ সৈতে মত বিনিময় কৰিব।

৩।  কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মন্দাভিয়াই দোহাত আজি হ'বলগীয়া সামাজিক উন্নয়ন বিষয়ক দ্বিতীয় বিশ্ব সন্মিলনত ভাৰতীয় প্ৰতিনিধি দলক নেতৃত্ব দিব।

৪।  ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি গুৱাহাটীৰ এটা অনুষ্ঠানত ভাৰতৰত্ন ডঃ ভূপেন হাজৰিকা ৰাষ্ট্ৰীয় পুৰস্কাৰসমূহ বিতৰণ কৰে।  ***আৰু***

৫।  মহিলা বিশ্বকাপত চেম্পিয়ন ভাৰতীয় দলটোলৈ ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বি চি চি আয়ে ৫১ কোটি টকাৰ পুৰস্কাৰ ঘোষণা কৰিছে।

০০০০০

প্ৰযুক্তিৰ ক্ষেত্ৰত বিকাশ ক্ৰমাৎ ঊৰ্ধগামী হোৱা ভাৰতত সম্প্ৰতি বিশ্বৰ ভিতৰতে সবাতোকৈ সফল ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি গঢ়ি তোলা হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে। কালি নতুন দিল্লীৰ ভাৰত মণ্ডপমত অত্যাধুনিক বিজ্ঞান আৰু প্ৰযুক্তি উদ্ভাৱন সন্মিলন ESTIC-2025 মুকলি কৰি দিয়া ভাষণত তেওঁ লগতে কয়, যে কেন্দ্ৰীয় চৰকাৰে দেশত উদ্ভাৱনৰ ক্ষেত্ৰত অত্যাধুনিক ব্যৱস্থা বিকশাই তোলাৰ বাবে গৱেষণা ক্ষেত্ৰৰ সুচলতাত গুৰুত্ব আৰোপ কৰিছে। ভাৰত সম্প্ৰতি কেৱল প্ৰযুক্তিৰ গ্ৰাহক হৈ থকা নাই বৰং, প্ৰযুক্তিগত ৰূপান্তৰৰ হোতা হিচাপে পৰিগণিত হোৱা বুলিও প্ৰধানমন্ত্ৰীয়ে ভাষণত উল্লেখ কৰে। কালিৰ এই অনুষ্ঠানত শ্ৰীমোদীয়ে দেশৰ গৱেষণা আৰু উন্নয়নৰ বাতাবৰণ অধিক বিকশিত কৰি তোলাৰ উদ্দেশ্যে এখ লাখ কোটি টকাৰ গৱেষণা, উন্নয়ন আৰু উদ্ভাৱন আঁচনি পুঁজি মুকলি কৰে। অহা ৫ নৱেম্বৰলৈ হ'বলগীয়া এই ESTIC-2025ৰ জৰিয়তে শৈক্ষিক, গৱেষণা প্ৰতিষ্ঠান, উদ্যোগ আৰু চৰকাৰৰ তৰফৰ পৰা ৩ হাজাৰতকৈও অধিক প্ৰতিনিধিয়ে পৰস্পৰৰ সংস্পৰ্শলৈ অহাৰ সুযোগ পাব।

০০০০০

**মেৰা বুথ সবছে মজবুত** কাৰ্যসূচীৰ অধীনত বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিহাৰৰ মহিলাসকলৰ সৈতে মত বিনিময় কৰিব। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে এই কাৰ্যসূচীক লৈ তেওঁৰ উৎসাহ প্ৰকাশ কৰি কয়, যে বিহাৰৰ বিধানসভা নিৰ্বাচনত বিজেপি-এন ডি এ মিত্ৰজোঁটক জয়ী কৰাবলৈ মহিলাসকলে সৰ্বতোপ্ৰকাৰে অৰিহণা যোগাইছে। তেওঁলোকৰ সক্ৰিয় অংশগ্ৰহণে বিহাৰত গণতান্ত্ৰিক যাত্ৰা সৰলীকৰণত যথেষ্ট সহায় কৰা বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে।

০০০০০

কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ মন্ত্ৰী মনসুখ মন্দাভিয়াই কাটাৰৰ দোহাত আজিৰে পৰা পৰহিলৈকে হ'বলগীয়া সামাজিক উন্নয়ন বিষয়ক দ্বিতীয় বিশ্ব সন্মিলনত ভাৰতীয় প্ৰতিনিধি দলৰ নেতৃত্ব গ্ৰহণ কৰিব। এই সন্মিলনৰ সময়ছোৱাত শ্ৰীমন্দাভিয়াই সামাজিক ন্যায়ৰ ক্ষেত্ৰত গোলকীয়া সহযোগিতাৰ বাবে সামগ্ৰিক আৰু সমবিকাশ সন্দৰ্ভত আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক সংস্থাৰ মন্ত্ৰী পৰ্যায়ৰ আলোচনাত ভাৰতক প্ৰতিনিধিত্ব কৰিব। তেওঁ সামাজিক উন্নয়নৰ তিনিটা মূল স্তম্ভ শক্তিশালী কৰাৰ ক্ষেত্ৰত উচ্চ পৰ্যায়ৰ ঘূৰণীয়া মেজমেলত ভাষণ দিব। মন্ত্ৰীগৰাকীয়ে কাটাৰ, ৰোমানীয়া, মৰিচাছ আৰু ইউৰোপীয় সংঘৰ মন্ত্ৰীসকলৰ সৈতে দ্বিপাক্ষিক বৈঠকত অংশ ল'ব। পৰৱৰ্তী সময়ত মন্ত্ৰী শ্ৰীমন্দাভিয়াই শ্ৰম আৰু নিয়োগ মন্ত্ৰালয় তথা আই বি পি চিয়ে যুটীয়াভাৱে আয়োজন কৰা এন চি এছৰ অনুষ্ঠানত উপস্থিত থাকিব।

ooooo

বিহাৰৰ প্ৰথম পৰ্যায়ৰ বিধানসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান চূড়ান্ত পৰ্যায়ত উপনীত হৈছে। এন ডি এ, আৰু মহা মিত্ৰজোঁটৰ তাৰকা প্ৰচাৰকসকলে নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিছে। নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলৰ উপৰি ভিন ভিন ৰাজনৈতিক দলৰ নেতা-কৰ্মীসকলে সমদল, জনসভা আদিৰ জৰিয়তে ভোটদাতাৰ মন আকৰ্ষণৰ বাবে আপ্ৰাণ চেষ্টা চলাই আছে।

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিঙে আজি বিহাৰৰ বৈশালী জিলাৰ ৰঘুপুৰ বিধানসভা সমষ্টিৰ প্ৰাৰ্থীৰ হকে নিৰ্বাচনী প্ৰচাৰ চলাব। তেওঁ পাটনাৰ ফাটুহা, চহৰছাৰ চিন্ত্ৰী ভক্তিয়াৰপুৰ আৰু মুংগেৰৰ তাৰাপুৰত হ'বলগীয়া নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব।

ooooo

ভাৰতে ১০ হাজাৰ পালি ৰেবিছ প্ৰতিষেধক আৰু দুহেজাৰ পালি ইমনুগ্ল'বিন দ্বীপৰাষ্ট্ৰ **টিম'ৰ লেছ-টেলৈ** প্ৰেৰণ কৰিছে। ইয়াৰ জৰিয়তে গোলকীয় দক্ষিণত বিশ্বাসী আৰু নিৰ্ভৰযোগ্য স্বাস্থ্য অংশীদাৰী দেশ হিচাপে ভাৰতে নিজৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা প্ৰতিফলিত কৰিছে। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে **টিম'ৰ লেছ-টেত** ২০২৪ চনৰ মাৰ্চ মাহত প্ৰথমটো মানৱ দেহত ৰেবিছৰ ঘটনা পোহৰলৈ আহে। তাৰ পাছতে বিশ্ব স্বাস্থ্য সংস্থাটোৱে দেশখনলৈ ৬ হাজাৰ পালি ৰেবিছ প্ৰতিষেধক আৰু দুহেজাৰ পালি ইমনুগ্ল'বিন প্ৰেৰণ কৰে। ভাৰত আৰু ইণ্ডোনেছিয়া চৰকাৰৰ সহায়ত বিশ্ব স্বাস্থ্য সংস্থাটোৱে ১২ হাজাৰ পালি প্ৰতিষেধক আৰু দুহেজাৰ পালি আৰ আই জি দেশখনলৈ প্ৰেৰণ কৰিছে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি পুৱা নেইনিতালৰ কেইঞ্চি ধামত অৱস্থিত নীম কৰ'লী বাবাৰ আশ্ৰম দৰ্শন কৰিব। শ্ৰীমতী মুৰ্মুৰ এই ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত আন ভক্তসকলক দিনৰ ১২ বজাৰ পাছত আশ্ৰম দৰ্শনৰ বাবে আহিবলৈ আশ্ৰম পৰিচালনা কৰ্তৃপক্ষই ইতিমধ্যে আহ্বান জনাইছে।

তিনিদিনীয়া উত্তৰাখণ্ড ভ্ৰমণসূচীৰে ৰাষ্ট্ৰপতিগৰাকী কালি নেইনিতালত উপস্থিত হৈছে আৰু আজি তেওঁ কুমাউ বিশ্ববিদ্যালয়ৰ ২০ সংখ্যক দীক্ষান্ত সমাৰোহত অংশগ্ৰহণ কৰিব।

ooooo

ড'নাৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি গুৱাহাটীৰ এটা অনুষ্ঠানত ভাৰতৰত্ন ড০ ভূপেন হাজৰিকা ৰাষ্ট্ৰীয় পুৰস্কাৰসমূহ বিতৰণ কৰে। এই কাৰ্যসূচীত ভাৰতবৰ্ষৰ সাংস্কৃতিক বৈচিত্ৰ্যতা, উত্তৰ পূৰ্বাঞ্চলৰ ঐতিহ্য আৰু ৰাষ্ট্ৰ নিৰ্মাণত মহিলা তথা যুৱ প্ৰজন্মৰ গুৰুত্বপূৰ্ণ ভূমিকাক সন্মানিত কৰা হয়। পুৰস্কাৰ বিতৰণী অনুষ্ঠানত শ্ৰীসিন্ধিয়াই ড০ ভূপেন হাজৰিকাক এগৰাকী কবি, সংগীতজ্ঞ আৰু ৰাষ্ট্ৰৰ কণ্ঠ বুলি অভিহিত

কৰাৰ লগতে তেওঁৰ কৰ্মৰাজিয়ে কলা আৰু একতাৰ অনন্য সমন্বয়ৰ সৃষ্টি কৰা বুলি মন্তব্য কৰে। ভাষণত তেওঁ কয়, যে ভূপেনদাৰ নামত পুৰস্কাৰ প্ৰদান কৰাটো কেৱল শিল্পীগৰাকীলৈ যঁচা সন্মান নহয়, সেয়া সহানুভূতি আৰু সাংস্কৃতিক সমন্বয়ৰ এটা যুগক লৈ যঁচা সন্মান।

উল্লেখযোগ্য যে কালিৰ অনুষ্ঠানত অসমৰ ৰজনী বসুমতাৰী আৰু ড০ সূৰ্যকান্ত হাজৰিকা, অৰুণাচল প্ৰদেশৰ য়েছে দৰজি ঠংছি, লেইছ্ৰাম মেমা, মিজোৰামৰ এল আৰ ছেল’ আৰু মেঘালয়ৰ অধ্যাপক ডেভিড আৰ ছিমলীলৈ ড০ ভূপেন হাজৰিকা ৰাষ্ট্ৰীয় পুৰস্কাৰ আগবঢ়োৱা হয়।

ooooo

প্ৰসাৰ ভাৰতীয়ে সাংস্কৃতিক মন্ত্ৰালয়ৰ সহযোগত সমগ্ৰ দেশৰ ২৪টা কেন্দ্ৰত আকাশবাণী সংগীত সন্মিলনৰ ৬৭ সংখ্যক সংস্কৰণৰ অনুষ্ঠিত কৰিছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে ১৯৫৪ চনত আৰম্ভ কৰা আকাশবাণীৰ সংগীত সন্মিলন দেশৰ সাংস্কৃতিক পৰম্পৰাৰ প্ৰতীক। এই সন্মিলনে দেশৰ চহকী সংগীত ঐতিহ্যৰ সংৰক্ষণ, প্ৰসাৰ আৰু জনপ্ৰিয়কৰণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। প্ৰসাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দ্বিবেদীয়ে কয়, যে কোৱিড-১৯ মহামাৰীৰ বাবে কিছু বছৰ এই সংগীত সন্মিলন বন্ধ ৰখাৰ পাছত এইবেলি নতুন ৰূপত আয়োজন কৰা হৈছে। অহা ২৯ নৱেম্বৰলৈ হ’বলগীয়া এই সন্মিলনৰ বাবে এইবাৰ প্ৰতিটো কেন্দ্ৰত দুটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। ইয়াৰে এটা ভাৰতীয় শাস্ত্ৰীয় সংগীত আৰু আনটো লোকসংগীতৰ নামত উৎসৰ্গিত। পানাজী আৰু শ্বিলঙত বিশেষভাৱে পাশ্চাত্য সংগীতৰ অনুষ্ঠানৰ দিহা কৰা হৈছে।

ooooo

কেন্দ্ৰীয় ৰে’ল, ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ পেটেলৰ সৈতে গান্ধীনগৰত ৰাজ্যখনৰ গুৰুত্বপূৰ্ণ ছেমিকণ্ডাক্টৰ আৰু ফেব্ৰিকেছন প্ৰকল্পৰ অগ্ৰগতি মূল্যায়নৰ উদ্দেশ্যে এখন উচ্চস্তৰীয় পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। এই বৈঠকত মুখ্যমন্ত্ৰী হৰ্ষ চাংভি, ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে টাটা মাইক্ৰন আৰু চি জি ছেমিকন আদিৰ লেখিয়া কোম্পানীসমূহৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। বৈঠকত ধোলেৰা আৰু চানন্দত ৰূপায়ণ হৈ থকা বৃহৎ প্ৰকল্পসমূহৰ বাবে শক্তি, জল, আদিকে ধৰি অত্যাৱশ্যকীয় সম্পদসমূহৰ উপলভ্যতা সন্দৰ্ভত আলোকপাত কৰা হয়।

ooooo

মহিলা বিশ্বকাপত চেম্পিয়ন ভাৰতীয় দলটোলৈ ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ- বি চি চি আয়ে ৫১ কোটি টকাৰ পুৰস্কাৰ ঘোষণা কৰিছে। মহিলা বিশ্বকাপৰ ইতিহাসত প্ৰথমবাৰলৈ খিতাপ জিনাৰ পৰিপ্ৰেক্ষিতত খেলুৱৈ, প্ৰশিক্ষক, নিৰ্বাচক আৰু সহায়ক কৰ্মচাৰী সকলোৰে বাবে এই পুৰস্কাৰ ঘোষণা কৰা হৈছে। দলটোৰ ধাৰাবাহিক প্ৰদৰ্শন, প্ৰতিভা আৰু একতাই বি চি চি আইৰ দীৰ্ঘদিনীয়া পৰিকল্পনা আৰু প্ৰচেষ্টাক সাকাৰৰূপ দিয়া বুলি বি চি চি আইৰ অধ্যক্ষ মিথুন মানহাছে মন্তব্য কৰিছে।

উল্লেখযোগ্য যে, ভাৰতে যোৱা দেওবাৰে নিশা নৱী মুম্বাইৰ ড০ ডি ৱাই পাটিল স্প’ৰ্টছ একাডেমীত অনুষ্ঠিত ফাইনেলত দক্ষিণ আফ্ৰিকাক ৫২ ৰানত পৰাস্ত কৰি ভাৰত আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমটো খিতাপ জয় কৰিবলৈ সমৰ্থ হৈছিল।

ooooo

সৰ্বভাৰতীয় ফুটবল সন্থাই ভাৰতীয় মহিলা লীগ IWL দুটা পৰ্যায়ত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লৈছে। অহা ২০ ডিচেম্বৰৰ পৰা ২০২৬ বৰ্ষৰ ৬ জানুৱাৰীলৈ প্ৰথম পৰ্যায় আৰু ২০২৬ বৰ্ষৰ ২০ এপ্ৰিলৰ পৰা ১০

মে’লৈ দ্বিতীয় পৰ্যায়ৰ খেলসমূহ খেলোৱাৰ সিদ্ধান্ত লোৱা হৈছে। সম্ভাই যোৱা ৩০ অক্টোবৰত ভাৰতীয় মহিলা লীগৰ আঠোটা দলৰ সৈতে হোৱা আলোচনাৰ অন্তত এই সিদ্ধান্ত লোৱা বুলি সদৰি কৰিছে।

০০০০০

সমাপ্ত